

১২.৮ অধিক জানিবলৈ

১) Bhattacharya K, Bhattacharya R and Sharma S (2012): Environmental Education, Assam Book Depot.
২) Sharma P.D (1990): Ecology and Environment, Rastogi Publishers, Meerut.
৩) Sharma R.A(2010) : Environmental Education, R.Lall Book Depot.
৪) Sigh S and Dubey A (1989): Environment Management, Allahbad University.

১২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ উন্নয়ন এনে এক বহনক্ষম ধাৰণা যাৰ জৰিয়তে প্ৰাদেশিক পৰিৱেশতন্ত্ৰৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮৩ চনত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আৰু উন্নয়ন আয়োগ গঠন হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ তলত বহনক্ষম উন্নয়নৰ দুটা বৈশিষ্ট্য আলোচনা কৰা হ'ল।

(ক) পাৰস্পৰিক নির্ভৰশীলতা ঃ আমাৰ জীৱনৰ বিভিন্ন দিশ আন এটা স্থানীয় অঞ্চল বা গোটেই অঞ্চলৰ মানুহৰ লগত নির্ভৰশীল যাৰ বাবে কোনো এঠাইত গ্ৰহণ কৰা কোনো এটা সিদ্ধান্তই আন এঠাইৰ মানুহক প্ৰভাৱিত কৰে।

(খ) নাগৰিকত্ব আৰু ন্যস্ত দায়িত্ব ঃ আমাৰ যিহেতু 'সিদ্ধান্ত-গ্ৰহণ'ত অংশগ্ৰহণ কৰাৰ অধিকাৰ আছে সেয়ে ভৱিষ্যতে হ'ব পৰা পৰিণাম আমি সকলোৱে ব্যক্ত কৰা উচিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ বহনক্ষম উন্নয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

(ক) সম্পদৰ সংৰক্ষণ ঃ বহনক্ষম উন্নয়নৰ মূল প্ৰয়োজন হ'ল প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰা। সম্পদ বৰ্তমান আৰু ভৱিষ্যত উভয় প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাটো প্ৰয়োজন। আচলতে, বহনক্ষম উন্নয়নৰ মূল বৈশিষ্ট্য হ'ল পৰিৱেশ অৱক্ষয় নোহোৱাকৈ কৰা নতুন উন্নয়ন।

(খ) সম্পদৰ ব্যৱস্থাপনা ঃ সম্পদ সংৰক্ষণেই যথেষ্ট নহয়। সম্পদৰ যদি সু-ব্যৱস্থাপনা নাথাকে তেনেহ'লে সম্পদৰ অৱক্ষয় হোৱাৰ দৰেই হয়। বহনক্ষম উন্নয়নৰ মূল